ऑयल इंडिया लिमिटेड
( भारत सरकार का उद्यम )
Oil India Limited
(A Government of India Enterprise)

NUMALIGARH REFINERY LIMITED
A GOVERNMENT OF INDIA ENTERPRISE
NRL

# Press Note
# প্ৰেছ নোট
# प्रेस नोट

13 April 2021 | Hotel Novotel, Guwahati






# OIL-NRL partnership: A synergy for mutual growth and energy security

25th March, 2021 was a historic day for the stakeholders of NRL and OIL, and the employees and their families of these two great Organizations. On this day, Share Purchase Agreement (SPA) was signed between BPCL and consortium of OIL & EIL for sale of 43.05 crore shares in NRL to the consortium at a consideration of Rs.9,375.96 crore. EIL paid Rs.700 crore for 3.21 crore shares while OIL bought 39.84 crore shares for Rs. 8,675.96 crore. The remaining 2.29 crore equity shares held by BPCL have been purchased by Government of Assam for Rs. 500.00 crore. With these transactions, BPCL has transferred its entire 61.65% holding in NRL to the Consortium and Govt. of Assam.

For OIL, acquisition of majority shares of NRL is not only a strategic business decision but one of the defining moments of OIL's corporate journey as an E&P Company looking for vertical integration in the oil & gas value chain. The acquisition is likely to partially mitigate the effect of volatility of crude price cycle due to diversification of cash flows, reduce earnings volatility and enhance shareholder value. At the same time, NRL also now has become part of an integrated energy company and together OIL-NRL can create a tremendous synergy that will help both the entities to consolidate their business plans and achieve sustainable growth and success in all their endeavors.

The following are some of the major highlights of the acquisition of NRL by OIL post divestment by BPCL:

- New Share holding pattern of NRL

| | |
|---|---|
| Oil India Limited | : 80.16% |
| Govt. of Assam | : 15.47% |
| Engineers India Limited | : 4.37% |

- OIL has become the promotor and the holding company of NRL with majority shareholding.
- As majority shareholder and holding company, OIL CMD has now become the Chairman of NRL's Board.
- Shares were sold by BPCL at a price of Rs.217.75 per share which was offered by OIL & EIL. At this price, NRL is valued at INR 16,018 crore.
- Government of Assam intends to increase its shareholding in NRL to 26%. To achieve this, GoA is likely to purchase remaining shares from OIL in due course of time at the same valuation at which OIL has purchased shares from BPCL.

## The OIL-NRL Synergy

- OIL is the primary source of crude oil for NRL. Annually, OIL supplies around 2,000 TMT of crude oil to Numaligarh Refinery, which is 67% of NRL's requirement. Further, the amount of crude oil supplied by OIL is around 60% of indigenous crude produced by the Company in North East. Both the companies can benefit from optimisation/ further improvement of feedstock supply and crude processing at the refinery.
- OIL produces around 7-8 MMSCMD of NG in North East, out of which around 1 MMSCMD is supplied to NRL.
- OIL is currently operating the Naharkatiya-Barauni crude pipeline as well as Numaligarh-Siliguri Product Pipeline.
- NRL is executing a cross-country crude pipeline of 1630 KM in length which will traverse through 5 states (Odisha, West Bengal, Jharkhand, Bihar and Assam). OIL's expertise in execution and operation of pipelines can be shared in development of the same.
- NRL has already ventured into upstream oil exploration partnering with OIL as operator in two oil blocks (Namrup and West Mechaki). NRL has earmarked investment of around Rs.90 crore in these two blocks.
- NRL has ventured into production of value-added food grade wax, food grade hexane and exploring possibilities for developing other niche chemicals like furfural alcohol, biodegradable plastics etc. NRL can leverage OIL's international presence and explore export markets for such products.
- OIL and NRL are partners in several other joint ventures in related businesses. The synergy will enable further consolidation of OIL-NRL group in such JVs.
- OIL and NRL are also the promoters, 20% shareholding each in Indradhanush Gas Grid Limited (IGGL) where we will be setting cross-country NG Pipeline connecting all the state capitals of North East.

OIL and NRL have a very special place in the hearts of the people of Assam, where both the Companies have grown. The Central Government as well as the State Government have laid huge emphasis on Act East Policy with focus on creating long lasting business relations with the neighbouring countries on the North Eastern frontiers of our country. Together, OIL and NRL will be able to play a pivotal role in contributing towards fulfilling this vision. With the massive refining capacity enhancement project of NRL and aggressive exploration plans of OIL in existing and new hydrocarbon blocks in North East, OIL-NRL will be able to contribute immensely in ensuring energy security of the nation and achieve the targets set by the Ministry of Petroleum and Natural Gas under North East Hydrocarbon Vision 2030. Presence of EIL in the consortium will further boost the technical expertise, which will become more relevant considering the expansion plan of NRL.

ऑयल इंडिया लिमिटेड

Oil India Limited

NUMALIGARH REFINERY LIMITED

NRL

# অইল আৰু এন আৰ এলৰ অংশীদাৰিত্ব : পৰস্পৰ বিকাশ আৰু শক্তি সুৰক্ষাৰ ক্ষেত্ৰত এক সন্মিলিত প্ৰয়াস

২৫ মাৰ্চ, ২০২১ তাৰিখৰ দিনটো অইল আৰু এন আৰ এলৰ অংশীদাৰীসকল আৰু এই দুই প্ৰতিষ্ঠানৰ কৰ্মচাৰী তথা তেওঁলোকৰ পৰিয়ালৰ বাবে এক ঐতিহাসিক দিন আছিল। এই দিনটোতে এন আৰ এলৰ ৪৩.০৫ কোটি শ্বেয়াৰ অইল আৰু ইঞ্জিনিয়াৰছ ইণ্ডিয়া লিমিটেড কনচৰ্টিয়ামক ৯,৩৭৫.৯৬ কোটি টকাত বিক্ৰীৰ বাবে বি পি চি এল আৰু উক্ত কনচৰ্টিয়ামৰ মাজত অংশ ক্ৰয়ৰ চুক্তি (Share Purchase Agreement) স্বাক্ষৰিত হয়। ইঞ্জিনিয়াৰছ ইণ্ডিয়া লিমিটেডে ৩.২১ কোটি শ্বেয়াৰৰ বাবে ৬৯৯.৯৯ কোটি প্ৰদান কৰাৰ বিপৰীতে অইলে ৮,৬৭৫.৯৬ কোটি টকাত ৩৯.৮৪ কোটি শ্বেয়াৰ ক্ৰয় কৰে। বাকী থকা ২.২৯ কোটি ইকুইটি শ্বেয়াৰ ৫০০ কোটি টকাত অসম চৰকাৰক প্ৰদান কৰা হয়। ইয়াৰ সৈতে বি পি চি এলে এন আৰ এলত থকা ইয়াৰ সমস্ত ৬১.৬৫ শতাংশ শ্বেয়াৰ উক্ত কনচৰ্টিয়াম আৰু অসম চৰকাৰলৈ হস্তান্তৰিত কৰে।

এন আৰ এলৰ অধিকাংশ শ্বেয়াৰ আহৰণ কৰাটো অইলৰ বাবে কেৱল এক কৌশলগত ব্যৱসায়িক সিদ্ধান্তই নহয়, এক অন্বেষণ আৰু উৎপাদন প্ৰতিষ্ঠান হিচাপে তেল আৰু গেছৰ মূল্য শৃংখলত উলম্ব একীকৰণৰ ক্ষেত্ৰত অইলৰ কৰ্পৰেট যাত্ৰাৰ অন্যতম এক নিৰ্ণায়ক মুহূৰ্ত। এই আহৰণৰ দ্বাৰা অৰ্থপ্ৰৱাহৰ বিভিন্নতাৰ বাবে হোৱা খাৰুৱা তেলৰ মূল্য চক্ৰৰ অস্থিৰতাৰ প্ৰভাৱ আংশিক ৰূপত হ্ৰাসৰ লগতে আয়ৰ অস্থিৰতা হ্ৰাস আৰু অংশীদাৰীৰ মূল্য বৃদ্ধিৰ আশা কৰা হৈছে। একে সময়তে এন আৰ এলো এতিয়া সংহত শক্তি প্ৰতিষ্ঠানৰ এক অংশ হৈ পৰে আৰু একেলগে অইল আৰু এন আৰ এলে এক অভূতপূৰ্ব সমন্বয় সৃষ্টি কৰিব পাৰিব যিয়ে দুয়োটা প্ৰতিষ্ঠানক ব্যৱসায়িক পৰিকল্পনাসমূহ সুদৃঢ় কৰাত আৰু সকলো প্ৰচেষ্টাত স্থায়ী বিকাশ আৰু সফলতা প্ৰাপ্তিত সহায় কৰিব।

বি পি চি এল ৰ দ্বাৰা নিৰ্বিনিয়োজনৰ পাছত অইলৰ দ্বাৰা এন আৰ এলৰ অংশ আহৰণৰ কিছু উল্লেখযোগ্য দিশ তলত দাঙি ধৰা হ'ল –

- এন আৰ এলৰ নতুন শ্বেয়াৰ হোল্ডিং পেটাৰ্ণ

  অইল ইণ্ডিয়া লিমিটেড - ৮০.১৬%

  অসম চৰকাৰ - ১৫.৪৭%

  ইঞ্জিনিয়াৰছ ইণ্ডিয়া লিমিটেড - ৪.৩৭%

- অধিকাংশ শ্বেয়াৰ আহৰণেৰে অইল হৈ পৰে এন আৰ এলৰ প্ৰম'টাৰ আৰু হোল্ডিং কোম্পানী।
- অধিকাংশ শ্বেয়াৰৰ অধিকাৰী আৰু হোল্ডিং কোম্পানী হিচাপে অইলৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক বৰ্তমান হৈ পৰে এন আৰ এলৰ সঞ্চালক পৰিষদৰ অধ্যক্ষ।
- প্ৰতিটো শ্বেয়াৰত ২১৭.৭৫ টকা ধাৰ্যৰে বি পি চি এলৰ দ্বাৰা শ্বেয়াৰ সমূহ বিক্ৰী কৰা হয় যিটোৰ প্ৰস্তাৱ আগবঢ়াইছিল অইল আৰু ইঞ্জিনিয়াৰছ ইণ্ডিয়া লিমিটেডে। এই মূল্যত এন আৰ এলৰ মূল্য হৈ পৰে ১৬,০১৮ কোটি টকা।
- অসম চৰকাৰে এন আৰ এলত ইয়াৰ শ্বেয়াৰ ২৬ শতাংশলৈ বৃদ্ধি কৰাৰ পৰিকল্পনা কৰিছে। এই উদ্দেশ্যত উপনীত হ'বলৈ অসম চৰকাৰে বাকী থকা শ্বেয়াৰসমূহ অইলৰ পৰা যি মূল্যত বি পি চি এলৰ পৰা অইলে ক্ৰয় কৰিছে সেই মূল্যতে যথা সময়ত ক্ৰয় কৰাৰ আশা কৰিছে।

## অইল - এন আৰ এলৰ সন্মিলিত প্ৰয়াস

- এন আৰ এলৰ বাবে খাৰুৱা তেলৰ প্ৰধান উৎস হৈছে অইল। বছৰি অইলে নুমলিগড় ৰিফাইনেৰীক ২০০০ ত্ৰিলিয়ন মেট্ৰিক টন (TMT) খাৰুৱা তেলৰ যোগান ধৰে যিটো এন আৰ এলৰ মুঠ প্ৰয়োজনৰ ৬৭ শতাংশ। তদুপৰি অইলে ইয়াৰ স্থানীয় খাৰুৱা উৎপাদনৰ ৬০ শতাংশ খাৰুৱা তেল উত্তৰ পূৱত যোগান ধৰে। ৰিফাইনেৰীত ফিডষ্টক যোগান আৰু খাৰুৱা তেলৰ সংসাধনৰ অনুকূলীকৰণ / অধিক উন্নতিসাধনৰ দ্বাৰা দুয়োটা প্ৰতিষ্ঠানে লাভান্বিত হ'ব পাৰে।
- উত্তৰ-পূৱত অইলে প্ৰতিদিনে প্ৰায় ৭-৮ নিযুত মেট্ৰিক ঘন মিটাৰ (MMSCMD) প্ৰাকৃতিক গেছ উৎপাদন কৰে আৰু ইয়াৰে ১ নিযুত মেট্ৰিক ঘন মিটাৰ (প্ৰতিদিনে) (MMSCMD) প্ৰাকৃতিক গেছ এন আৰ এলক যোগান ধৰা হয়।
- সম্প্ৰতি অইলে নাহৰকটীয়া – বাৰাউনি পাইপলাইন আৰু লগতে নুমলিগড়–চিলিগুৰি প্ৰডাক্ট পাইপলাইন সঞ্চালন কৰি আছে।
- এন আৰ এলে ১৬৩০ কি.মি. দৈৰ্ঘ্যৰ এক ক্ৰছ-কান্ট্ৰী খাৰুৱা তেলৰ পাইপলাইনৰ কাম কৰি আছে যি পাঁচখন ৰাজ্যৰ মাজেৰে পাৰ হ'ব (উৰিষ্যা, পশ্চিম বেংগল, ঝাৰখণ্ড, বিহাৰ আৰু অসম)। অইলৰ পাইপলাইন নিৰ্মাণ আৰু সঞ্চালনৰ বিশেষজ্ঞতা উক্ত পাইপলাইন বিকাশ কাৰ্যত প্ৰয়োগ হ'ব পাৰে।
- এন আৰ এলে ইতিমধ্যে সঞ্চালক হিচাপে দুটা তেল ব্লক (নামৰূপ আৰু পশ্চিম মেচাকি)ত অইলৰ সহযোগী হিচাপে উজনীয়া তেল অন্বেষণ কাৰ্যত কাম কৰি আছে। এন আৰ এলে দুয়োটা ব্লকত প্ৰায় ৯০ কোটি টকাৰ বিনিয়োগ কৰিছে।
- এন আৰ এলে মূল্য-সংযোজিত ফুড গ্ৰেড ৱেক্স, ফুড গ্ৰেড হেক্সান আৰু অন্যান্য নিকে কেমিকেল যেনে, ফুৰফুৰেল এলকহল, জৈৱ পচনীয় প্লাষ্টিক আদিৰ বিকাশৰ সম্ভাৱনা অন্বেষণ আদি কাৰ্যত নিজকে নিয়োজিত কৰিছে। এন আৰ এলে অইলৰ আন্তঃৰাষ্ট্ৰীয় উপস্থিতিৰ সুবিধা আদায় কৰিব পাৰে আৰু সামগ্ৰীসমূহৰ বাবে ৰপ্তানি বজাৰৰ অন্বেষণ কৰিব পাৰে।
- অইল আৰু এন আৰ এল ব্যৱসায় সম্বন্ধীয় অন্যান্য যুটীয়া উদ্যোগসমূহতো সহযোগী। এই সন্মিলিত প্ৰয়াসে এনে যুটীয়া উদ্যোগসমূহত অইল-এন.আৰ.এল. দলক অধিক শক্তিশালী কৰিব।
- অইল আৰু এন আৰ এল বৰ্তমান ইন্দ্ৰধনুশ গেছ গ্ৰিড লিমিটেডৰো (IGCL) প্ৰম'টাৰ লগতে দুয়ো ২০ শতাংশকৈ অংশৰ অধিকাৰী য'ত আমি উত্তৰ-পূৱৰ সকলো ৰাজ্যৰ ৰাজধানীসমূহক সংযোগ কৰি ক্ৰছ-কান্ট্ৰী এন জি পাইপলাইন স্থাপন কৰিম।

অসমৰ জনসাধাৰণৰ হৃদয়ত অইল আৰু এন আৰ এলৰ এক বিশেষ স্থান আছে, য'ত এই দুয়োটা প্ৰতিষ্ঠান ডাঙৰ –দীঘল হৈছে। কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্যিক চৰকাৰে আমাৰ দেশৰ উত্তৰ-পূৱ সীমান্তৰ কাষৰীয়া দেশসমূহৰ সৈতে এক দীৰ্ঘস্থায়ী ব্যৱসায়িক সম্পৰ্ক গঢ়াৰ উদ্দেশ্যেৰে এক্ট ইষ্ট পলিচিৰ ওপৰত যথেষ্ট জোৰ প্ৰদান কৰিছে। এই লক্ষ্যত উপনীত হ'বলৈ অৰিহণা যোগোৱাৰ ক্ষেত্ৰত অইল আৰু এন আৰ এলে একেলগে এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সক্ষম হ'ব। এন আৰ এলৰ বিশাল শোধন ক্ষমতা বৃদ্ধি প্ৰকল্প আৰু ইতিমধ্যে উপলব্ধ আৰু উত্তৰ-পূৱৰ নতুন হাইড্ৰ'কাৰ্বন ব্লকসমূহত অইলৰ আগ্ৰাসী পৰিকল্পনাসমূহৰ সৈতে অইল আৰু এন আৰ এলে দেশৰ শক্তি সুৰক্ষা সুনিশ্চিত কৰিবৰ বাবে আৰু নৰ্থ ইষ্ট হাইড্ৰ'কাৰ্বন ভিজন ২০৩০ ৰ অধীনত পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে নিৰ্ধাৰণ কৰি দিয়া লক্ষ্যসমূহত উপনীত হোৱাত যথেষ্ট অৰিহণা আগবঢ়াব পাৰিব। ইঞ্জিনিয়াৰ্ছ ইণ্ডিয়া লিমিটেডৰ উপস্থিতিয়ে নিশ্চিতভাৱে কাৰিকৰী নিপুণতাক উন্নত কৰিব যি এন আৰ এলৰ বিস্তাৰিত পৰিকল্পনাসমূহৰ বিবেচনাৰ ক্ষেত্ৰত অধিক প্ৰাসংগিক হৈ পৰিব।

Oil India Limited

NUMALIGARH REFINERY LIMITED NRL

# ऑयल-एनआरएल साझेदारी: परस्पर विकास एवं ऊर्जा सुरक्षा हेतु एक संयुक्त-प्रयास

दिनांक 25 मार्च, 2021 एनआरएल और ऑयल के हितधारकों तथा इन दो महान संगठनों के कार्मिकों और उनके परिवारों के लिए एक ऐतिहासिक दिन था। इस दिन, 9,375.96 करोड़ रुपये में एनआरएल की 43.05 करोड़ शेयरों की बिक्री के लिए बीपीसीएल और ऑयल एवं ईआईएल के कंसोर्टियम के मध्य शेयर क्रय समझौते (Share Purchase Agreement) पर हस्ताक्षर किए गए थे। ईआईएल ने 3.21 करोड़ शेयरों के लिए 700 करोड़ रुपये का भुगतान किया जबकि ऑयल ने 39.84 करोड़ शेयर 8,675.96 करोड़ रुपये में खरीदे। बीपीसीएल के पास मौजूद शेष 2.29 करोड़ इक्विटी शेयर असम सरकार द्वारा 500.00 करोड़ रुपये में खरीदे गए हैं। इन लेन-देनों के साथ, बीपीसीएल ने एनआरएल में अपना संपूर्ण 61.65 प्रतिशत होल्डिंग कंसोर्टियम और असम सरकार को हस्तांतरित कर दिया है।

ऑयल के लिए, एनआरएल के अधिकांश शेयरों का अधिग्रहण न केवल एक रणनीतिक व्यवसायिक निर्णय है, बल्कि तेल एवं गैस मूल्य श्रृंखला में ऊर्ध्वमुखी एकीकरण की तलाश करने वाली अन्वेषण एवं उत्पादन कंपनी के रूप में ऑयल की कॉर्पोरेट यात्रा के महत्वपूर्ण क्षणों में से एक है। इस अधिग्रहण से धनापूर्ति की विविधता के कारण होने वाली कच्चे तेल के मूल्य चक्र की अस्थिरता के प्रभाव को आंशिक रूप से कम करने के साथ ही आय में अस्थिरता को कम करने तथा शेयरधारक मूल्य बढ़ने की संभावना है। इसके साथ ही, एनआरएल भी एक एकीकृत ऊर्जा कंपनी का हिस्सा बन गया है और हम एक साथ मिलकर एक जबरदस्त तालमेल बना सकते हैं, जो दोनों संस्थाओं को हमारी व्यावसायिक योजनाओं को मजबूत करने तथा हमारे सभी प्रयासों में स्थायी विकास और सफलता प्राप्त करने में मदद करेगा।

बीपीसीएल द्वारा विनिवेश के बाद ऑयल द्वारा एनआरएल के अधिग्रहण से संबंधित कुछ प्रमुख बातें निम्नलिखित हैं:

- एनआरएल का नया शेयर होल्डिंग पैटर्न

  | | |
  |---|---|
  | ऑयल इंडिया लिमिटेड | : 80.16% |
  | असम सरकार | : 15.47% |
  | इंजीनियर्स इंडिया लिमिटेड | : 4.37% |

- ऑयल अधिकांश शेयरहोल्डिंग के साथ एनआरएल की प्रमोटर और होल्डिंग कंपनी बन गई है।
- अधिकांश शेयरधारक और होल्डिंग कंपनी के रूप में, ऑयल के अध्यक्ष एवं प्रबंध निदेशक अब एनआरएल बोर्ड के अध्यक्ष बन गए हैं।
- बीपीसीएल द्वारा 217.75 रुपए प्रति शेयर की कीमत पर शेयर बेचे गए, जो ऑयल और ईआईएल द्वारा पेशकश की गई थी। इस मूल्य पर, एनआरएल का मूल्य 16,018 करोड़ रुपये हैं।
- असम सरकार एनआरएल में अपनी हिस्सेदारी 26 प्रतिशत तक बढ़ाने के इच्छुक है। इसे प्राप्त करने के लिए, असम सरकार द्वारा निश्चित समय पर जिस मूल्य पर ऑयल ने बीपीसीएल से शेयर खरीदे हैं, उसी मूल्य पर ऑयल से शेष शेयर खरीदने की संभावना है।

## ऑयल-एनआरएल का संयुक्त-प्रयास

- एनआरएल के लिए ऑयल इंडिया लिमिटेड कच्चे तेल का प्राथमिक स्रोत है। प्रतिवर्ष ऑयल, नुमालीगढ़ रिफाइनरी को लगभग 2,000 टीएमटी कच्चे तेल की आपूर्ति करता है, जो एनआरएल की आवश्यकता का 67 प्रतिशत है। इसके अलावा, ऑयल द्वारा आपूर्ति किए गए कच्चे तेल की मात्रा पूर्वोत्तर में कंपनी द्वारा उत्पादित स्वदेशी कच्चे तेल का लगभग 60 प्रतिशत है। रिफाइनरी में फीडस्टॉक आपूर्ति और क्रूड प्रोसेसिंग के अनुकूलन / और अधिक सुधार से दोनों कंपनियां लाभान्वित हो सकती हैं।
- ऑयल पूर्वोत्तर में लगभग 7-8 एमएमएससीएमडी प्राकृतिक गैस का उत्पादन करता है, जिसमें से एनआरएल को लगभग 1 एमएमएससीएमडी आपूर्ति की जाती है।
- ऑयल वर्तमान में नाहरकटिया-बरौनी पाइपलाइन और नुमालीगढ़-सिलीगुड़ी उत्पाद पाइपलाइन का संचालन कर रहा है।
- एनआरएल 1630 किमी लंबाई की क्रॉस-कंट्री क्रूड पाइपलाइन का संचालन कर रहा है, जो 5 राज्यों (ओड़िशा, पश्चिम बंगाल, झारखंड, बिहार और असम) से होकर गुजरेगी। पाइपलाइनों के निष्पादन और प्रचालन में ऑयल की विशेषज्ञता को उसके विकास कार्यों में साझा की जा सकती है।
- एनआरएल ने पहले ही ऑपरेटर के रूप में ऑयल के साथ दो तेल ब्लॉकों (नामरूप और पश्चिम मेचाकी) में अपस्ट्रीम तेल अन्वेषण में भागीदारी की है। एनआरएल ने इन दोनों ब्लॉकों में लगभग 90 करोड़ रुपए का निवेश किया है।
- एनआरएल ने वैल्यू-एडेड फूड ग्रेड वैक्स, फूड ग्रेड हेक्सेन के उत्पादन में तेजी लाई है और अन्य आला रसायनों जैसे कि फरफरल अल्कोहल, बायोडिग्रेडेबल प्लास्टिक आदि को विकसित करने के लिए संभावनाएं तलाश कर रही है। एनआरएल ऑयल की अंतराष्ट्रीय उपस्थिति का लाभ उठा सकता है तथा ऐसे उत्पादों के लिए निर्यात बाजार की खोज कर सकता है।
- ऑयल और एनआरएल संबंधित व्यवसायों के क्षेत्र में अन्य कई संयुक्त उद्यमों में भागीदार हैं। इस प्रकार के संयुक्त-प्रयास ऐसे संयुक्त उद्यमों में ऑयल-एनआरएल समूह को आगे एकत्रीकरण करने में सक्षम बनाएगा।
- ऑयल और एनआरएल प्रमोटर भी हैं तथा इन्द्रधनुष गैस ग्रिड लिमिटेड (IGGL) में प्रत्येक का 20 प्रतिशत हिस्सेदारी है, जहां हम पूर्वोत्तर के सभी राज्यों की राजधानियों को जोड़ने वाले क्रॉस-कंट्री प्राकृतिक गैस पाइपलाइन की स्थापना करेंगे।

ऑयल और एनआरएल का असम के लोगों के दिलों में बहुत खास स्थान रहा है, जहां दोनों कंपनियां पली-बढ़ी हैं। केंद्र सरकार के साथ-साथ राज्य सरकार ने हमारे देश के उत्तर-पूर्वी सीमाओं पर पड़ोसी देशों के साथ लंबे समय तक चलने वाले व्यापारिक संबंध बनाने पर ध्यान देने के साथ ही एक्ट ईस्ट पॉलिसी पर बहुत अधिक जोर दिया है। ऑयल और एनआरएल एक साथ इस लक्ष्य को पूरा करने की दिशा में योगदान देने में एक महत्वपूर्ण भूमिका निभा सकते हैं। एनआरएल की बड़े पैमाने पर शोधन क्षमता वृद्धि परियोजना और पूर्वोत्तर में मौजूदा तथा नए हाइड्रोकार्बन ब्लॉकों में ऑयल की अति महत्वाकांक्षी अन्वेषण योजनाओं के साथ, ऑयल-एनआरएल राष्ट्र की ऊर्जा सुरक्षा सुनिश्चित करने और पेट्रोलियम एवं प्राकृतिक गैस मंत्रालय द्वारा उत्तर-पूर्व हाइड्रोकार्बन लक्ष्य 2030 के तहत निर्धारित लक्ष्यों को प्राप्त करने में अत्यधिक योगदान दे पाएगी। कंसोर्टियम में इंजीनियर्स इंडिया लिमिटेड की उपस्थिति निश्चित रूप से तकनीकी विशेषज्ञता को बढ़ावा देगी, जो एनआरएल की विस्तार योजना की दृष्टि से और अधिक प्रासंगिक होगी।